অসম

কাজিৰঙাৰ ৰঙাজানৰ পথ দুর্ঘটনাত মৃতকৰ সংখ্যা ২৪লৈ বৃদ্ধি

কাজিৰঙাৰ ৰঙাজানত ট্রেভেলাৰ আৰু কণ্টেইনাৰ ট্রাকৰ মুখামুখি সংঘর্ষত ২৩জন লোকৰ মৃত্যু হৈছে। কেইবাজনো আহতক উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্রেৰণ কৰা হৈছে।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৩



(NewzNow)

কাজিৰঙা, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত যাত্রীবাহী ট্রেভেলাৰ আৰু কণ্টেইনাৰ ট্রাকৰ মাজত হোৱা মুখামুখি সংঘর্ষত মৃতকৰ সংখ্যা ২৪জনলৈ বৃদ্ধি পাইছে। সংকটজনক অৱস্থাত থকা কেইবাজনো আহতৰো মৃত্যু হোৱা বুলি জানিব পৰা গৈছে।

এইপর্যন্ত কঁহৰা চিকিৎসালয়ত ১৬টা আৰু বোকাখাত শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত ৭টা মৃতদেহ ৰখা হৈছে। গোলাঘাট জিলা প্রশাসনৰ তথ্য অনুসৰি, নিশাই মৃতদেহসমূহৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হৈছে।

আহতসকলক কঁহৰা চিকিৎসালয় আৰু বোকাখাত শ্বহীদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত চিকিৎসা প্রদান কৰা হৈছে। অতি সংকটজনক অৱস্থাত থকা কেইবাজনো লোকক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্রেৰণ কৰা হৈছে।

© 2026 NewzNow

দুর্ঘটনাত ট্রেভেলাৰখনৰ চালক আব্দুল মজিদৰ ঘটনাস্থলীতে মৃত্যু হয়। বাহনখনৰ হেণ্ডিমেনৰো মৃত্যু হৈছে। পুৱা নগাঁৱৰ ডিমৰুগুৰিস্থিত ব্লুমিংটন ছার্ভিচৰ পৰা খালী বাহন লৈ এম পি ট্রেভেলছৰ ট্রেভেলাৰখন ওলাই গৈছিল। গোলাঘাটৰ পৰা উভতি অহাৰ সময়ত বাহনখন যাত্রীৰে ভৰি আছিল বুলি প্রত্যক্ষদর্শীয়ে জনাইছে।

প্রাথমিকভাৱে প্রকাশ পোৱা তথ্য অনুসৰি, কণ্টেইনাৰখন নিজৰ দিশেৰে আহি থকাৰ সময়তে ট্রেভেলাৰখনে ভুল দিশেৰে গৈ খুন্দা মাৰে। ২৭নং ৰাষ্ট্রীয় ঘাইপথত নির্ধাৰিত গতিসীমা থকাৰ পাছতো ট্রেভেলাৰখন অত্যধিক বেগত চলিছিল বুলি জানিব পৰা গৈছে। দুর্ঘটনাৰ প্রকৃত কাৰণ নির্ণয়ৰ বাবে স্থানীয় প্রশাসনে তদন্ত অব্যাহত ৰাখিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2799/kaziranga-rangajan-road-accident-23-dead